ৰাজনীতি

বিজেপিৰ অ’বিচি মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে নিযুক্তি সাংসদ যোগেন মোহনক

বিজেপিৰ অ’বিচি মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে অসমৰ যোগেন মোহনক দায়িত্ব প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ড□ হিমন্ত বিশ্ব শৰ্মাই জনালে শুভেচ্ছা।

প্ৰকাশ: ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৩



গুৱাহাটী: ভাৰতীয় জনতা পার্টিৰ অ’বিচি মর্চাৰ ৰাষ্ট্রীয় উপ-সভাপতি হিচাপে নিযুক্তি লাভ কৰিছে সাংসদ যোগেন মোহনে। দলৰ ৰাষ্ট্রীয় পর্যায়ৰ পদাধিকাৰী আৰু কার্যনির্বাহক সদস্যৰ সালসলনিৰ অংশ হিচাপে তেওঁক এই গুৰুত্বপূর্ণ সাংগঠনিক দায়িত্ব প্রদান কৰা হৈছে। নতুন দিল্লীস্থিত বিজেপিৰ কেন্দ্রীয় কার্যালয়ৰ পৰা ২১ নৱেম্বৰত জাৰি কৰা এক প্রেছ বিজ্ঞপ্তিযোগে এই নিযুক্তিৰ কথা ঘোষণা কৰা হয়। দলৰ ৰাষ্ট্রীয় সভাপতি নীতিন নবীনৰ নির্দেশ অনুসৰি এই নিযুক্তিসমূহ তাৎক্ষণিকভাৱে কার্যকৰী কৰা হৈছে।

যোগেন মোহনসহ মুঠ ৫ গৰাকী নেতাক বিজেপিৰ অ’বিচি মর্চাৰ ৰাষ্ট্রীয় উপ-সভাপতিৰ দায়িত্ব দিয়া হৈছে। ইয়াৰ উপৰি মর্চাৰ ৰাষ্ট্রীয় সাধাৰণ সম্পাদক, ৰাষ্ট্রীয় সম্পাদক, কোষাধ্যক্ষ, কার্যালয় সম্পাদক, সহকাৰী কার্যালয় সম্পাদক আৰু সংবাদ মাধ্যমৰ সমন্বয়কৰ পদতো নতুন নিযুক্তি ঘোষণা কৰা হয়।

অসমৰ মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই যোগেন মোহনৰ লগতে নতুনকৈ দায়িত্ব লাভ কৰা সকলো নেতাক অভিনন্দন জনায়। প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু দলৰ ৰাষ্ট্রীয় সভাপতি নীতিন নবীনৰ নেতৃত্বত সংগঠন অধিক শক্তিশালী কৰি তোলাত এই নেতাসকলৰ অভিজ্ঞতাই সহায় কৰিব বুলি মুখ্যমন্ত্রীয়ে আশা প্রকাশ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5276/jogen-mohan-appointed-bjp-obc-morcha-national-vice